# অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ

বামুণীমৈদাম, গুৱাহাটী - ২১, www.pcbassam.org

No. WB/G-735/11-12/42 Dated Guwahati, the 20th Dec., 2012

## জাননী

কৃষি ভূমি সমূহত ইটা ভাটা স্থাপনৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে অনুমতি প্ৰদান কৰা বুলি একাংশ ছপা-মাধ্যমত প্ৰকাশিত বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত ৰাজ্যবাসীৰ মনত সৃষ্টি হোৱা ভুল ধাৰণাবোৰ আতৰ কৰাৰ উদ্দেশ্যে জনাও যে, উদ্যোগীকৰণৰ দিশত পৰিষদে কোনোধৰণৰ উৎসাহজনক কিম্বা অনুৎসাহজনক কাৰ্য্যৰ ভূমিকা পালন নকৰে কিন্তু পৰিষদে প্ৰতিটো উদ্যোগ স্থাপন আৰু চালনৰ ক্ষেত্ৰত কিছুমান সঠিক চৰ্তাৱলী নিৰ্ধাৰণ কৰি দি পৰিৱেশ নিকা কৰি ৰখাৰ ব্যৱস্থা কৰি দিয়ে।

ইটা ভাটা তথা শিল ভঙা (Stone Crushers) মেচিন স্থাপনৰ বাবে প্ৰস্তাৱিত স্থান কৃষিৰ বাবে অনুপযোগি বুলি অসম চৰকাৰৰ দ্বাৰা নিয়োজিত বিষয়াৰ পৰা পোৱা প্ৰমাণ পত্ৰ আৰু উক্ত এলেকাৰ গাওঁ পঞ্চায়ত /পৌৰনিগম / টাউন কমিটি আদিৰ পৰা পোৱা বৈধ সন্মতিৰ ভিত্তিতহে, পৰিষদে ন' অবজেক্চন চাৰ্টিফিকেট (NOC) বা কনচেন্ট টু ইষ্টাব্লিষ্ট (CTE) প্ৰদান কৰে। গাওঁ পঞ্চায়ত /পৌৰনিগম / টাউন কমিটি আদিৰ আগতীয়া সন্মতি অবিহনে কোনো ক্ষেত্ৰতে পৰিষদে ন' অবজেক্চন চাৰ্টিফিকেট প্ৰদান নকৰে।

সমাজৰ বিভিন্ন শাখাৰ পৰা অহা অভিযোগ সমূহৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধান উদ্যোগসমূহৰ বাবে পৰিৱেশ নিষ্কাশনৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত আদেশাত্মকভাৱে প্ৰযোজ্য লোক শুনানিৰ দৰে এতিয়াৰে পৰা ইটা ভাটা আৰু শিল ভঙা (Stone Crushers) মেচিন দুয়োবিধ স্থাপনৰ প্ৰস্তাৱসমূহৰ ক্ষেত্ৰতো একেধৰণৰ লোক শুনানি অনুষ্ঠিত কৰিবলৈ ইতিমধ্যে পৰিষদে পূৰ্ণাঙ্গ নিৰ্দেশাৱলী প্ৰচলন কৰিছে।

সদস্য-সচিব